**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-11-2024
**Time :** 0900 Hrs

## ***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ ৫টা বিধান সভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান অব্যাহত। ধলাই সমষ্টিত আজি বিজেপি প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ।

২। ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত বিশ্ববন্দিত শিল্পী ডঃ ভূপেন হাজৰিকাক ৰাজ্যজুৰি স্মৰণ। মুখ্যমন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ভাষাৰ সংৰক্ষণ, ব্যাপক ব্যৱহাৰ আৰু উদগনিৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

*আৰু*

৪। আমেৰিকা যুক্তৰাষ্ট্ৰত আজি ৪৭ সংখ্যক ৰাষ্ট্ৰপতি বাছনিৰ বাবে নিৰ্বাচন।

০০০০০০০

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ধলাই বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। দিনৰ ১১ বজাত এন এম পি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰু দুপৰীয়া ১ বজাত পালাংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত তেওঁ ভাষণ দিব। এই সন্দৰ্ভত আমাৰ কৰিমগঞ্জৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়—-

*-বাইট-*

কালি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলটোৰ কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলাইছিল। এই সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিধায়ক খলিলউদ্দিন মজুমদাৰকে ধৰি কংগ্ৰেছৰ কেইবাজনো নেতাই অংশগ্ৰহণ কৰে। ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিধানসভাৰ বিধোৰী দলপতি তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দেৱব্ৰত শইকীয়াই কালি বঙাইগাঁও সমষ্টিৰ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ চিৰাঙৰ বৈখুন গাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায়। নেতাগৰাকীয়ে এইবাৰ বঙাইগাঁও সমষ্টিত কংগ্ৰেছে এইবাৰ ভাল ফলাফল দেখুৱাব বুলিও আশা প্ৰকাশ কৰে।

০০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ আজি ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী। ২০১১ চনৰ আজিৰ দিনটোতেই অনুৰাগীক শোকাহত কৰি শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। ড০ হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে শিল্পীগৰাকীক সোঁৱৰণ কৰিবলৈ লোৱা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। স্মৃতিচাৰণ সভাত মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে দিনৰ চাৰে ১১ বজাৰ পৰা হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত কেইবাগৰাকীও শিল্পীয়ে গীত-নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰিব। শিল্পীগৰাকীৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী উপলক্ষে ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে গুৱাহাটীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা প্ৰতিমূৰ্তিস্থলীত সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি হিচাপে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এটা বিবৃতিত ছাত্ৰ সন্থাই প্ৰকাশ কৰা অনুসৰি দীঘলীপুখুৰী পাৰত দিনৰ চাৰে ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি হ'ব আৰু সন্ধিয়া ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰা হ'ব। ড০ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি দিনজোৰা কাৰ্যসূচীৰে গণেশপাৰা মিলনজ্যোতি সংঘৰ খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৩ নৱেম্বৰত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। আনহাতে আজি দিনৰ ২ বজাৰ পৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত মুকলি সভা তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰাই এইদৰে কয়–

*(বাইট)*

বড়োলেণ্ড বিশ্ববিদ্যালয়তো ড০ হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দৰং জিলাতো বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ উদ্যোগত ড০ ভূপেন হাজৰিকাক ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত স্মৰণৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি, মানুহে মানুহৰ বাবে আৰু সাংস্কৃতিক মহাসভাৰ দৰং জিলা সমিতিৰ উদ্যোগত মঙলদৈৰ ভূপেন হাজৰিকা স্মৃতি উদ্যানৰ পৰা পুৱা চাৰে পাঁচ বজাত প্ৰভাত ফেৰী উলিওৱাৰ পাছত উদ্যানত থকা প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়। শিল্পীগৰাকীৰ কেইবাটাও কালজয়ী গীত পৰিৱেশনেৰে পুৱা চাৰে ৬ বজাত এই কাৰ্যসূচীৰ অন্ত পৰে। একেখন উদ্যানতে বিয়লি ৩ বজাৰ পৰা দৰং জিলা ছাত্ৰ সন্থাই আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সহযোগত **প্ৰনিপাত** শীৰ্ষক বিশেণ অনুষ্ঠানৰ আয়োজন কৰিছে। এই সন্দৰ্ভত আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুষ গোস্বামীয়ে এইদৰে কয়–

*(বাইট)*

ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ভাষাৰ সংৰক্ষণ, ব্যাপক ব্যৱহাৰ আৰু ভাষাসমূহক উদগণি যোগোৱাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। এই

প্ৰয়াসে ২০১৪ চনৰ পৰা ২০২৪ চনৰ সময়ছোৱাক ভাৰতীয় ভাষাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সমৰ্পণ কৰিছে বুলিও তেওঁ কয়। শেহতীয়াকৈ অসমীয়াকে ধৰি ৫টা ভাৰতীয় ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰা বিষয় সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত বিশ্বৰ একমাত্ৰ দেশ য'ত এঘাৰটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছে। নতুন দিল্লীত কালি মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় হিন্দী সমিতিৰ ৩২ সংখ্যক বৈঠকত শ্ৰীশ্বাহে এই কথা প্ৰকাশ কৰে। হিন্দী ভাষাৰ বিকাশ তথা উদগণি যোগোৱাৰ বাবে নীতি-নিৰ্দেশনা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় হিন্দী সমিতিয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। হিন্দী ভাষাক শক্তিশালী কৰি তোলাৰ বাবে শ্ৰীশ্বাহে দুটা ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰে প্ৰথমটো হৈছে হিন্দী সাহিত্য আৰু ব্যাকৰণ গাঁথনিৰ বিকাশ সংৰক্ষণ আৰু স্থায়িত্বৰ বাবে দীৰ্ঘম্যাদী নীতি গঢ়ি তোলা। সকলো আধুনিক শৈক্ষিক বিষয়বস্তু হিন্দী আৰু আন সকলো ভাৰতীয় ভাষালৈ অনুবাদ কৰাটো অত্যন্ত জৰুৰী বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নাড্ডা, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, আইন আৰু ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানো উপস্থিত থাকে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগে প্ৰধানমন্ত্ৰী ইনটাৰ্নশ্বিপ আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষৰ বাবে দেশৰ এক লাখ ২৫ হাজাৰ যুৱক-যুৱতীক ভাৰতৰ আগশাৰীৰ ৫০০ টা কোম্পানীত ইনটাৰ্নশ্বিপৰ সুবিধা প্ৰদানৰ লক্ষ্য স্থিৰ কৰিছে। ইনটাৰ্নশ্বিপ কৰিব বিচৰা দশম, দ্বাদশ, আই টি আই, ডিপ্লমা আৰু স্নাতক উত্তীৰ্ণ ২১ৰ পৰা ২৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে তৎকালীনভাৱে ছহেজাৰ টকা লাভ কৰাৰ বিপৰীতে মাহিলী পাঁচ হাজাৰ টকাকৈ ১২ মাহৰ বাবে লাভ কৰিব। প্ৰাৰ্থীসকলে পঞ্জীয়নৰ সময়ত আধাৰ, শিক্ষাগত অৰ্হতা আৰু পৰিয়ালৰ আয়ৰ স্ব-ঘোষণা পত্ৰ জমা দিব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে ১০ নৱেম্বৰৰ ভিতৰত www.pminternship.mco.gov.in ৱেবছাইটত পঞ্জীয়ন কৰিব পাৰিব। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলে নিয়োগ বিনিময় কেন্দ্ৰত যোগাযোগ কৰাৰ লগতে ৮০৯৯৮৯৭২৬৬ নম্বৰত ফোন কৰিব পাৰিব বুলি বিজ্ঞপ্তিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

সৰ্বোচ্চ ন্যায়ালয়ে গোৱালপাৰা জিলাত থকা দেশৰ সৰ্ববৃহৎ ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকৰ বাবে পৰ্যাপ্ত সা-সুবিধা নথকা বিষয়টোত উদ্বেগ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি কালি উচ্চতম ন্যায়ালয়ে সংশ্লিষ্ট বিভাগৰ সচিবক ডিটেনচন কেম্পটো শীঘ্ৰে পৰিদৰ্শন কৰি ইয়াৰ সৈতে জড়িত সকলো বিষয়াৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে।

ন্যায়ালয়ে ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকসকলে যাতে ন্যূনতম সকলো সা-সুবিধা লাভ কৰে সেই সন্দৰ্ভতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দেশনাটোত এমাহৰ ভিতৰত সংশ্লিষ্ট বিষয়াগৰাকীক চৰকাৰে প্ৰদান কৰা সা-সুবিধাসমূহক লৈ শপতনামা দাখিল কৰিবলৈও উল্লেখ কৰা হয়। উল্লেখযোগ্য যে, মাটিয়াৰ ডিটেনচন কেম্পত থকা লোকসকলক উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত কৰাৰ অভিযোগেৰে উচ্চতম ন্যায়ালয়ত এগৰাকী সচেতন নাগৰিকে এখন লেখ আবেদন দাখিল কৰিছিল। পূৰ্বে আবেদনখনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণক বিষয়টো নিৰীক্ষণৰ নিৰ্দেশ দিছিল। ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি যোৱা ২৪ অক্টোবৰত উচ্চতম ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিছিল।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰত আজি বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰিপাব্লিকান প্ৰাৰ্থী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ডেম'ক্ৰেটিক প্ৰাৰ্থী তথা বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰে যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি আজি বিয়লি চাৰে ৫ বজাৰ পৰা চাৰে ৭ বজাৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈ কাইলৈ পুৱা চাৰে ৫ বজাৰ পৰা চাৰে ৯ বজাৰ ভিতৰত এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। ভোটগ্ৰহণৰ সামৰণিৰ পাছতেই ফলাফল আশা কৰিব পৰা যাব যদিও কিছুদিন পাছতহে পৰৱৰ্তী ৰাষ্ট্ৰপতিগৰাকীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। ইতিমধ্যে বহু লোকে পোষ্টেল ভোটদান ব্যৱস্থাৰ জৰিয়তে ভোটদান কৰিছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত পৰোক্ষ নিৰ্বাচনী ব্যৱস্থা ইলেকট'ৰেল কলেজৰ জৰিয়তে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয়। ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে প্ৰাৰ্থীগৰাকীয়ে ৫৩৮টা ইলেকট'ৰেল কলেজ ভোটৰ ভিতৰত ২৭০ বা ততোধিক ভোটৰ জৰিয়তে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব লাগিব।

0000000

বিগত ২০ বছৰ ধৰি আগবঢ়োৱা সেৱাৰ বাবে আৰণ্যকৰ জ্যেষ্ঠ বিজ্ঞানী ডঃ বিভূতিপ্ৰসাদ লহকৰলৈ ২০২৪-২৫ বৰ্ষৰ নেভিল শুলমান আৰ্থ ৰাটছ বঁটা আগবঢ়োৱা হৈছে। এইবাৰ বিশ্বৰ মুঠ ৩ গৰাকী ব্যক্তিলৈ এই বঁটা আগবঢ়োৱা হৈছে। বন্যপ্ৰাণী প্ৰেমী জীৱ বিজ্ঞানী ডঃ লহকৰে উত্তৰ-পূব ভাৰতত এছিয়ান হাতী আৰু ঘাঁহনি সংৰক্ষণৰ হকে কাম কৰি অহাৰ বাবে তেওঁলৈ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

0000000

## Newspaper Review (11-5-2024 Morn.)

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। উপ-নিৰ্বাচনক লৈ সমষ্টিকেইটাত বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকল প্ৰচাৰ কাৰ্যত ব্যস্ত হৈ আছে। পাঁচটা সমষ্টিৰ ভিতৰত বিহালী সমষ্টিৰ প্ৰচাৰে ৰাজ্যৰ ৰাজনীতি বিশেষ গুৰুত্ব লাভ কৰিছে। বিহালীকেন্দ্ৰীক এটা বাতৰিক অসমীয়া প্ৰতিদিনত **২৬ৰ নিৰ্বাচনী ৰণৰ অভিকেন্দ্ৰ এতিয়া বিহালী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিৰ্মাণ শ্ৰমিকৰ কল্যাণৰ বাবে সংগৃহীত ধন ব্যয় কৰিব পৰা নাই বহু ৰাজ্যই- শ্ৰমিক কল্যাণত অসম ব্যৰ্থ শীৰ্ষক এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

ভুৱা হিতাধিকাৰী সৃষ্টিৰে পি এম কিষাণ নিধিৰ ধন আত্মসাৎ। ৯৮ কৃষি সম্প্ৰসাৰণ বিষয়াৰ বিৰুদ্ধে তদন্ত শীৰ্ষক এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে নৱেম্বৰৰ আৰম্ভণিতে ষ্টকৰ সূচকাংকৰ বৃহৎ স্খলনৰ এটা বাতৰিক **শ্বেয়াৰৰ স্খলন, টকাৰ অভিলেখ পতন** শিৰোনামেৰে প্ৰকাশ কৰিছে।

৬ লাখ শিক্ষাৰ্থী অন্তৰ্ধানক লৈ হাহাকাৰ। বিগত বৰ্ষৰ ইউডাইছ প্লাছ প'ৰ্টেলৰ তথ্যৰ লগত এই বৰ্ষৰ তথ্যৰ ব্যাপক পাৰ্থক্যৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

অসমীয়া খবৰ কাকতে উৎসৱৰ বতৰৰ বাবে পিছুৱালে উত্তৰ প্ৰদেশ, পাঞ্জাব আৰু কেৰালাৰ উপ-নিৰ্বাচনৰ দিন শিৰোনামৰ এটা  বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে Pro-Khalistani mob attacks temple in Canada শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

Budgetary spending : Departments not adhering to time guidelines শিৰোনামৰ এটা বাতৰিক দ্যা ছেণ্টিনেল কাকতে প্ৰধান বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ড'নাল্ড ট্ৰাম্প নে কমলা হেৰিছ? সাত প্ৰদেশে ল'ব নিৰ্ণায়ক ভূমিকা, সুধাকণ্ঠৰ আজি ত্ৰয়োদশ মৃত্যু দিৱস, উত্তৰাখণ্ডত সংঘটিত ভয়াবহ বাছ দুৰ্ঘটনাত ৩৬ গৰাকী যাত্ৰীৰ মৃত্যু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**